# শ্ৰীকৃষ্ণ পিপৰা গুচোৱা

**অনুশীলনীঃ**

**১। শব্দ-অৰ্থ**

গোৱালীঃ গোপী, গুৱালিনী অথবা গোপিনী

লৱণুঃ মাখন

টেণ্টনঃ টেটোন, ধূৰ্ত

নিদাৰুণীঃ দয়া-মায়া নথকা তিৰোতা

ভাণ্ডিলাঃ ফাঁকি দিলে, ছল কৰিলে

বৎসঃ পোৱালী ( ইয়াত গৰুৰ পোৱালী অৰ্থাৎ দামুৰি দমৰা)

কনিষ্ঠঃ সৰু ভায়েক

**২। চমু উত্তৰ দিয়াঃ**

**(ক) শিশু শ্ৰীকৃষ্ণ গুৱালিনী ঘৰত কিয় সোমাইছিল?**

**উত্তৰঃ-** শিশু শ্ৰীকৃষ্ণ গুৱালিনী ঘৰত লৱণু চোৰ কৰিবৰ বাবে সোমাইছিল।

**(খ) মাখন চোৰ কৰি হাতেলোটে ধৰা পৰি শ্ৰীকৃষ্ণই গুৱালনীক কি কৰা বুলি কৈছিল?**

**উত্তৰঃ-** মাখন চোৰ কৰি হাতেলোটে ধৰা পৰি শ্ৰীকৃষ্ণই গুৱালনীক পিপৰা গুচাই থকা বুলি কৈছিল।

**(গ) শ্ৰীকৃষ্ণই গুৱালিনীৰ ঘৰত কিয় সোমোৱা বুলি কৈছিল?**

**উত্তৰঃ-** শ্ৰীকৃষ্ণই গুৱালিনীৰ ঘৰত তেওঁৰ ঘৰ বুলি ভাবি ভুলতে সোমোৱা বুলি কৈছিল।

**(ঘ) শ্ৰীকৃষ্ণই কেঁচুৱাটোক টোপনি পৰা কি কাৰণত জগোৱা বুলি কৈছিল?**

**উত্তৰঃ-** শ্ৰীকৃষ্ণই কেঁচুৱাটোক টোপনি পৰা দামুদৰ কথা সুধিবৰ বাবে জগোৱা বুলি কৈছিল।

**(ঙ) অৱশেষত গোপিনীয়ে শ্ৰীকৃষ্ণ কথা উত্তৰ দিব নোৱাৰিলে কিয়?**

**উত্তৰঃ-** অৱশেষত গোপিনীয়ে শ্ৰীকৃষ্ণ কথা উত্তৰ দিব নোৱাৰিলে কাৰণ শেষত শ্ৰীকৃষ্ণই চলনা কৰি গোপীনীকে চোৰ বুলি ক'লে।